জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৩৫/২০২১

জি এছ ৰোডৰ ছুপাৰ মাৰ্কেটত নৱনিৰ্মিত উৰণ সেঁতু ৰাইজৰ সেৱাত উৎসৰ্গা কৰিলে মুখ্যমন্ত্ৰীয়ে

# অসমৰ উন্নয়নৰ গতিধাৰাক এক নতুন উচ্চতালৈ লৈ যাবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৪ নৱেম্বৰ ঃ** ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়নৰ প্ৰক্ৰিয়াক এক নতুন গতি প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জি এছ ৰোডৰ ছুপাৰ মাৰ্কেটত নতুনকৈ নিৰ্মাণ কৰা দুইলেনযুক্ত উৰণ সেঁতুখন আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গা কৰে।

২০১৯-২০ বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ অধীনত ১২৭.২০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা এই উৰণ সেঁতুখন অভিলেখ সৃষ্টিৰে নিৰ্দ্ধাৰিত ৩৬ মাহৰ পৰিৱৰ্তে ২২ মাহতে নিৰ্মাণ কৰি উলিওৱা হৈছে। ১২০৫ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেঁতুখনে ছুপাৰ মাৰ্কেট অঞ্চলৰ যান-জঁটৰ সমস্যা বহুলাংশে লাঘৱ কৰিবলৈ সক্ষম হোৱাৰ লগতে খানাপাৰাৰ পৰা গণেশগুৰি আৰু লাষ্টগেটৰ পৰা গণেশগুৰি দিশলৈ যাতায়াত ব্যৱস্থা মসৃণ কৰি তুলিব বুলি আশা কৰা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজধানী চহৰখন সদায়ে সমগ্ৰ ৰাজ্যখনৰ গৌৰৱৰ প্ৰতীক হিচাপে চিহ্নিত হয়। ছুপাৰ মাৰ্কেটৰ এই উৰণ সেঁতুখন নিৰ্দ্ধাৰিত সময়তকৈ পূৰ্বেই নিৰ্মাণ কৰি উলিওৱা কাৰ্যই সমগ্ৰ ৰাজ্যখনতে ঢৌৰাই যোৱা উন্নয়নৰ ধাৰাকে প্ৰতিফলিত কৰে বুলি তেওঁ মন্তব্য কৰে। উত্তৰ-পূবৰ লগতে আছিয়ান ৰাষ্ট্ৰসমূহৰো প্ৰৱেশ পথ হিচাপে পৰিগণিত হোৱা গুৱাহাটী চহৰৰ আন্তঃগাঁথনি উন্নয়নে সমগ্ৰ ৰাজ্যখনৰে উন্নয়নক প্ৰতিনিধিত্ব কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ বিভাগৰ অভিযন্তাসকলক অভিনন্দন জ্ঞাপন কৰে আৰু এই উৰণ সেঁতুখন নিৰ্মাণৰ দিশত সৱল ভূমিকা পালন কৰা লোকনিৰ্মাণ বিভাগৰ প্ৰাক্তন মুখ্য অভিযন্তা প্ৰয়াত দিলীপ দাসৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ৰাজ্যখনৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পসমূহ আৰু সেইবোৰৰ ৰূপায়ণৰ স্তৰৰ এক অৱলোকন দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে অতিৰিক্ত ব্যয়ৰ বোজা লাঘৱ কৰা তথা ৰাজ্যবাসীক প্ৰকৃত উন্নয়নৰ সোৱাদ দিয়াৰ বাবে আন্তঃগাঁথনি প্ৰকল্পসমূহ নিৰ্দ্ধাৰিত সময়ৰ পূৰ্বেই সম্পূৰ্ণ কৰি তোলাৰ ওপৰত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিয়মান দলংখন ২০২৩ চনৰ ডিচেম্বৰৰ ভিতৰত উদ্বোধন কৰাৰ লগতে চাংসাৰিত নিৰ্মিয়মান এইমছখন চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে মুকলি কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। সেইদৰে চাৰাবভাটি আৰু মালিগাঁৱৰ নিৰ্মিয়মান উৰণ সেঁতু দুখনো ২০২৩ চনৰ ভিতৰত সম্পূৰ্ণ কৰি তোলা হ'ব। তেওঁ লগতে জানিবলৈ দিয়ে যে ৰাধাগোবিন্দ

বৰুৱা পথ আৰু গীতানগৰ তিনিআলিক সংযোগ কৰি ৰাজ্য চৰকাৰে আন এখন উৰণ সেঁতু নিৰ্মাণ কৰিব। তদুপৰি বশিষ্ঠ চাৰিআলি আৰু গড়চুকতো আন দুখন উৰণ সেঁতু নিৰ্মাণ কৰা হ'ব। সেইদৰে গুৱাহাটী ক্লাবৰ পৰা বামুণীমৈদাম অঞ্চলক সংযোগ কৰি নিৰ্মাণ কৰিবলৈ লোৱা আন এখন উৰণ সেঁতুৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতিৰ চূড়ান্ত পৰ্যায়ত আছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে বাইহাটা-ছিপাঝাৰ আৰু কুৰুৱা-নাংৰেগীক ৰাষ্ট্ৰীয় ঘাইপথৰ লগত সংযোগ কৰি এটা ছয়লেনযুক্ত ৰিং ৰোড নিৰ্মাণৰ কথাও চৰকাৰে পৰ্যালোচনা কৰি আছে। এই প্ৰকল্পৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰি থকা হৈছে আৰু এই কাম 'ভাৰতমালা' প্ৰকল্পৰৰ অধীনত হাতত লোৱা হ'ব।

তেওঁ লগতে কয় যে বৰ্তমানৰ চৰকাৰৰ পৰৱৰ্তী ৫ বছৰত ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰৰ জনসাধাৰণৰ যাতায়াতৰ দীৰ্ঘদিনীয়া সমস্যা দূৰ কৰাৰ পদক্ষেপৰ অংশ হিচাপে বৰ্তমানৰ শৰাইঘাট দলঙৰ উপৰি নাৰেংগী-কুৰুৱা, নিৰ্মিয়মান গুৱাহাটী-উত্তৰ গুৱাহাটী আৰু পলাশবাৰী-শুৱালকুছি সংযোগী আন তিনিখন দলং প্ৰস্তুত হৈ উঠিব।

এই প্ৰকল্পসমূহৰ উপৰিও গুৱাহাটীত খোৱাপানী যোগান প্ৰকল্প সম্পূৰ্ণ হৈ উঠাৰ পথত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে হেঙেৰাবাৰী, ফাঁচিবজাৰ আৰু মালিগাঁও অঞ্চলত তিনিখন নতুন উদ্যান গঢ়ি তোলাৰ লগতে ব্ৰহ্মপুত্ৰ নদীপাৰ সৌন্দৰ্যবৰ্দ্ধন প্ৰকল্পৰ বাবেও চৰকাৰে নিষ্ঠাৰে কাম কৰি আছে। বৰ্তমানে অচল হৈ থকা চন্দ্ৰপুৰ তাপবিদ্যুৎ প্ৰকল্পৰ স্থানত সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ আৰ্হিত এক সংহত ক্ৰীড়া চৌহদ গঢ়ি তোলা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

চৰকাৰী কাম-কাজৰ সূচলতাৰ স্বাৰ্থত চৰকাৰে বিভিন্ন প্ৰশাসনীয় কাম-কাজৰ লগতে ড্ৰাইভিং লাইচেন্স, ট্ৰেড লাইচেন্স, নিয়োগ পঞ্জীয়ন, ভূমি সম্পৰ্কীয় সেৱা আদি ক্ষেত্ৰসমূহত ডিজিটাইজেশ্যনৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 'মিশ্যন সদ্ভাৱনা'ৰ অধীনত সচিবালয়ত ২০২১ চনৰ ১০ মে'ৰ পূৰ্বৰ পৰা নিষ্পত্তি নোহোৱাকৈ থকা ফাইলসমূহ নিষ্পত্তি কৰা হ'ব। তদুপৰি 'মিশ্যন বসুন্ধৰা'ৰ অধীনত অহা বছৰৰ ১০ মে' তাৰিখৰ ভিতৰত ভূমি সম্পৰ্কীয় বিষয়সমূহ নিষ্পত্তি কৰা হ'ব।

ৰাজ্যবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ উন্নয়নৰ গতিধাৰাক এক নতুন ৰূপ প্ৰদান কৰাৰ স্বাৰ্থত ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সহায়-সহযোগিতা কামনা কৰে।

অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলকে ধৰি মন্ত্ৰীসভাৰ আন কেইবাগৰাকীও সদস্য, কেইবাগৰাকীও প্ৰাক্তন মন্ত্ৰী, সাংসদ, বিধায়ক আৰু লোক নিৰ্মাণ (পথ) বিভাগ তথা অন্যান্য বিভাগৰ জ্যেষ্ঠ বিষয়ববীয়াসকল উপস্থিত থাকে।

**সুঃদঃ / প্ৰঃকুঃবঃ**

**৪-১১-২০২১**